**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 26-01-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN
**::::::::::::::::::**

আজি ৭৬ সংখ্যক গণৰাজ্য দিৱস। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্য পথত আয়োজিত এই দিৱসৰ মূল অনুষ্ঠানত ৰাষ্ট্ৰক নেতৃত্ব দিব। গণৰাজ্য দিৱসৰ কুচকাৱাজ পুৱা চাৰে ১০ বজাত আৰম্ভ হ'ব। কুচ-কাৱাজৰ আৰম্ভণিতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত পুষ্পাৰ্ঘ্য নিবেদন কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এখন **ঘোঁৰা বাগী**ৰে কৰ্তব্য পথত উপস্থিত হোৱাৰ পাছত সুৰক্ষা বাহিনীসমূহৰ সামৰিক অভিবাদন গ্ৰহণ কৰিব। ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো ছুবিয়াণ্টো এইবাৰ এই দিৱসৰ কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যৰ বিভিন্ন স্থানতো গণৰাজ্য দিৱস উদযাপন কৰা হৈছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশুপালন আৰু পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত হ'বলগীয়া কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি পুৱা ৯ বজাত আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ খনিকৰ খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে দৰঙত, কৃষিমন্ত্ৰী অতুল বৰাই শিৱসাগৰত, ৰাজহ মন্ত্ৰী কেশৱ মহন্তই বঙাইগাঁৱত, হস্ততাঁত আৰু বস্ত্ৰ শিল্প মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই চিৰাঙত, বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজিত, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহলে নগাঁৱত, পৰিবহণ মন্ত্ৰী যোগেন মহনে মাহমৰা সম-জিলাত, বিত্ত মন্ত্ৰী অজন্তা নেওগে গোলাঘাটত, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই শোণিতপুৰত, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই যোৰহাটত, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই নলবাৰীত, ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোছাই বৰপেটাত, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে তিনিচুকীয়াত, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰী কৌশিক ৰায়ে কাছাৰত, পশুপালন মন্ত্ৰী কৃষ্ণেন্দু পালে শ্ৰীভূমিত, শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই লখিমপুৰত, অসম বিধানসভাৰ উপাধ্যক্ষ নোমল মমিনে গোৱালপাৰাত পতাকা উন্মোচন কৰিব।

গুৱাহাটী উচ্চ ন্যায়ালয়তো আজি গণৰাজ্য দিৱস উদযাপন কৰা হ'ব। মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়ে পুৱা ৮ বজাত ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদতো আজি গণৰাজ্য দিৱস উপলক্ষে ত্ৰিৰংগ পতাকা উন্মোচন কৰা হ'ব। আকাশবাণী গুৱাহাটীৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালকপ্ৰধান ৱালিউল্লাহ খানে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰিব।

গণৰাজ্য দিৱস উপলক্ষে গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত কটকটীয়া নিৰাপত্তা গঢ়ি তোলা হৈছে।

০০০০০০

রাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ৭৬ সংখ্যক গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰ গঠন কৰাত সৰ্বোচ্চ ত্যাগ স্বীকাৰ কৰা মহান স্বাধীনতা সংগ্ৰামী, সেনা জোৱান তথা সংবিধান প্ৰণেতাসকললৈ শ্ৰদ্ধাঞ্জলি যাচি শ্ৰী আচাৰ্যই শক্তিশালী ৰাষ্ট্ৰ গঠনৰ প্ৰতিশ্ৰুতি সুদৃঢ়কৰণৰ বাবে সকলোকে আহ্বান জনায়। গণৰাজ্য দিৱসৰ এই বৰ্ষৰ বিষয়বস্তু **স্বৰ্ণিম ভাৰত ঃ ঐতিহ্য আৰু বিকাশে** দেশৰ ঐতিহ্যক সন্মান আৰু বৰ্ণিল পৰম্পৰাৰ আধাৰত প্ৰগতিৰ পথেৰে আগবাঢ়ি যোৱাৰ চেষ্টা অব্যাহত ৰখাৰ কথা সোঁৱৰাই দিয়ে বুলি ৰাজ্যপালগৰাকীয়ে উল্লেখ কৰে।

০০০০০

৭৬ সংখ্যক গণৰাজ্য দিৱসত নতুন দিল্লীৰ কৰ্তব্য পথত আজি হ'বলগীয়া কুছকাৱাজ, প্ৰতীকপট শোভাযাত্ৰা আৰু সাংস্কৃতিক কাৰ্যসূচীসমূহ আকাশবাণী আৰু দূৰদৰ্শনে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। পুৱা ৯ বাজি ৪০ মিনিটৰ পৰা হ'বলগীয়া এই  অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কযোগে প্ৰচাৰিত হোৱাৰ লগতে প্ৰচাৰ ভাৰতীৰ অ', টি.টি. প্লেটফৰ্ম **ৱেভ**যোগেও প্ৰচাৰিত হ'ব।  প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে প্ৰকাশ কৰা অনুসৰি দূৰদৰ্শনে এই অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰৰ বাবে পোনপ্ৰথমবাৰৰ বাবে 4K কেমেৰা আৰু আন আনুসংগিক সৰঞ্জাম ব্যৱহাৰ কৰিব। ইয়াৰ ফলত এই অনুষ্ঠানৰ মান পূৰ্বৰ তুলনাত আঠ গুণ উন্নত হ'ব বুলি শ্ৰী দ্বিবেদীয়ে প্ৰকাশ কৰে।

এইবাৰ নতুন দিল্লীৰ গণৰাজ্য দিৱসৰ কুচকাৱাজত অসমৰ প্ৰতীকপট নাথাকিব যদিও বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম, পৰম্পৰাগত নৃত্য, জাপি, গঁড় আদি প্ৰতীকি ৰূপত লালকিল্লাত প্ৰদৰ্শন কৰা হ'ব।

০০০০০

শিৱসাগৰৰ ৰংপুৰৰ ঐতিহাসিক তলাতল ঘৰৰ বাকৰিত কাইলৈ আৰু পৰহিলৈ সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সভা অনুষ্ঠিত হ'ব। এই সভাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। শিৱসাগৰত হ'বলগীয়া এই সাধাৰণ সভাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৫ হাজাৰৰো অধিক ছাত্ৰ প্ৰতিনিধি, বিশিষ্ট ব্যক্তি, শিল্পী, কলা-কুশলীয়ে অংশগ্ৰহণ কৰিব। জিলাখনৰ ঐতিহ্য-পৰম্পৰাক পৰিকল্পিতৰূপত উপস্থাপন কৰাৰ উদ্দেশ্যে তলাতল ঘৰৰ বাকৰিৰ মূল মণ্ডপৰ সন্মুখত চৰাইদেউৰ এটা প্ৰতীকি মৈদাম নিৰ্মাণ কৰা হৈছে। এই প্ৰতীকি মৈদামৰ মাজেৰেই সাধাৰণ সভাৰ অতিথি-প্ৰতিনিধি আৰু অন্যান্য লোক প্ৰৱেশ কৰিব। অতিথিয়ে জিৰণি ল'বৰ বাবে ৰংঘৰৰ আৰ্হিত এটা অতিথিশালা নিৰ্মাণ কৰা হৈছে। সেই স্থানতে আছুৰ প্ৰতীক তথা গুলীবিদ্ধ ছহীদৰ প্ৰতিমূৰ্তিৰে এটা বিশাল আকাৰৰ ছহীদ বেদী স্থাপন কৰা হ'ব। লগতে শৰাইঘাটৰ ৰণ, পলু বগাই থকা চোমনীবাৰী আৰু জয়মতীৰ আত্মত্যাগৰ দৃশ্য উপস্থাপনৰ ব্যৱস্থা কৰা হৈছে। সভা-সমিতি অনুষ্ঠিত কৰাৰ বাবে ৩০ হাজাৰ বৰ্গফুটৰ এটা মণ্ডপ নিৰ্মাণ কৰা হৈছে। পৰাগধৰ চলিহা ষ্টেডিয়ামত নিৰ্মাণ কৰা বিশাল ভোজন গৃহত একেলগে পাঁচ হাজাৰ লোকে খাদ্য গ্ৰহণ কৰিব পাৰিব। সাধাৰণ সভাৰ লগত সংগতি ৰাখি হ'বলগীয়া গ্ৰন্থমেলাত অসমৰ লগতে দেশৰ কেইবাটাও আগশাৰীৰ প্ৰকাশন গোষ্ঠীয়ে অংশগ্ৰহণ কৰিব। সাধাৰণ সভাৰ দ্বিতীয় দিনা ৰাজ্যৰ  বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিক প্ৰতিফলিত কৰি বিশাল শোভাযাত্ৰা উলিওৱা হ'ব।

০০০০০

সমাপ্ত